# নিৰ্বাচিত সাহিত্যঃ পঠন আৰু পৰ্যালোচনা

নিৰ্বাচিত সাহিত্যঃ
পঠন আৰু পৰ্যালোচনা
নিৰ্বাচিত সাহিত্যঃ
পঠন আৰু পৰ্যালোচনা

সম্পাদক

অৰুণিমা দাস

ৰশ্মি বুঢ়াগোহাঁই

# নিৰ্বাচিত সাহিত্য ঃ
# পঠন আৰু পৰ্যালোচনা

সম্পাদক
অৰুণিমা দাস
ৰশ্মি বুঢ়াগোহাঁই

পূৰ্বাঞ্চল প্ৰকাশ
গু ৱা হা টী

**NIRBACHITA SAHITYA : PATHAN AARU PARJYALOOCHANA :** *A Collection of eighteen articles edited by* ***Arunima Das*** *and* ***Rashmi Buragohain****, both Asst. Professor of Hemoprova Borbora Girls' College, Golaghat and published by* ***Purbanchal Prakash****, H. No.-2, Seujee Path, Dr. B. N. Saikia Road, Wireless, Dispur, Guwahati-781006.*

₹ : 150 only.

॥ প্ৰকাশক ঃ পূৰ্বাঞ্চল প্ৰকাশ, ঘৰ নং-২, সেউজী পথ, ৱায়াৰলেছ, গুৱাহাটী-৭৮১০০৬ ॥

॥ মুদ্ৰণ ঃ আংগিক প্ৰেছ, আমবাৰী, গুৱাহাটী-৭৮১০০১ ॥

॥ প্ৰথম প্ৰকাশ ঃ ২০১৬ ॥

॥ বেটুপাতৰ শিল্পী ঃ সীমান্ত ॥

॥ © লিখকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত ॥

ISBN : 978-81-7213-287-3

॥ মূল্য ঃ ১৫০ টকা ॥

- জাতিভেদ প্ৰথা ঃ ইন্দিৰা গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ত জাতিভেদ প্ৰথাৰ প্ৰতিফলন আৰু বিশ্লেষণ
  দীপশিখা বৰ্মন ৯১


## খ অংশ (ইংৰাজী সাহিত্য)


- অছৱাল্ড ডুৰাণ্ডৰ ক'লা মানুহৰ ল'ৰা ঃ এটি সংক্ষিপ্ত পৰিচয় সূচক অৱলোকন
  অৰুণ চন্দ্ৰ বৰদলৈ ৯৯
- আলেকজেণ্ডাৰ ব্লক আৰু তেওঁৰ "সময়ৰ সন্তানবোৰ" ঃ এক সমালোচনাত্মক অধ্যয়ন
  অঞ্জন শইকীয়া ১০৩
- লৰকা আৰু 'প্ৰথম বাসনাৰ গীত'
  দিব্যজ্যোতি বৰা ১১১
- কাউন্টি কিউলেন জীৱন পৰিক্ৰমা আৰু 'ঘটনা'
  মৃদুল দাস ১১৮
- অনুবাদত ট'মাছ হাৰ্ডিৰ কেহেৰাজ বৰণীয়া হৃদয়ৰ এচামুচ
  অৰুণ চন্দ্ৰ বৰদলৈ ১২৬
- হীৰাৰ হাৰ - গীদ্ ম'পাচঁ
  **(The Neeklace - Guy de Maupassant)**
  স্বপ্নাৰাণী বৰা ১৩৫
- 'মহেন্দ্ৰ বৰাৰ সাৰ্থক অনুবাদ ঃ আফ্‌কে'জ টেন'
  ড° কৌশিক কুমাৰ ডেকা ১৫০
- 'কিংলিয়েৰ' আৰু 'অশ্ৰুতীৰ্থ'ৰ তুলনামূলক বিশ্লেষণ
  শিৱপ্ৰসাদ বৰা ১৬৩

লেখক পৰিচিতি ১৯৯

# আলেকজেণ্ডাৰ ব্লক আৰু তেওঁৰ 'সময়ৰ সন্তানবোৰ' ঃ এক সমালোচনাত্মক অধ্যয়ন

অঞ্জন শইকীয়া

বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত ৰাছিয়াৰ সাহিত্য জগতক বিভিন্ন ৰচনাপঞ্জীৰে চহকী কৰা মহীয়সীসকলৰ ভিতৰত আলেকজেণ্ডাৰ ব্লকো অন্যতম। তেওঁ ৰাছিয়ান প্ৰতীকবাদৰো (Symbolism) এক বিখ্যাত হোতা আছিল। অৱশ্যে এই ক্ষেত্ৰত উল্লেখ কৰা প্ৰয়োজন যে যদিও প্ৰতীকবাদ পোনতে ইউৰোপৰ সাহিত্য জগততহে উদ্ভৱ হৈছিল আৰু ব্লককে ধৰি অন্যান্য সহিত্যিকসকলে পৰৱৰ্তী সময়ত ইউৰোপীয় সাহিত্যক মূল উৎস হিচাপে লৈ প্ৰতীকৰ ব্যৱহাৰ কৰিছিল, তথাপি ব্লকে প্ৰতীকৰ ব্যৱহাৰৰ বেলিকা নিজস্ব ধ্যান-ধাৰণা আৰু শৈলীৰ সংমিশ্ৰণ ঘটোৱা পৰিলক্ষিত হয়।

ব্লকৰ ল'ৰালিকালৰ বেছিভাগ সময় মাতৃ সমন্ধীয় ককাকৰ ঘৰতে অতিবাহিত হৈছিল। এইখিনিতে উল্লেখযোগ্য যে ব্লকৰ পিতৃ-মাতৃৰ মাজত মনোমালিন্য ঘটি বিবাহ বিচ্ছেদৰ সূত্ৰপাত ঘটিছিল। পেচাগত ভাৱে ব্লকৰ পিতৃ এজন আইনবিদ আছিল। ইয়াৰ বিপৰীতে তেওঁৰ ককাক (মাতৃ সমন্ধীয়) ছেইন্ট পিটাছবাৰ্গ ইউনিভাৰচিটিৰ (St. Petersberg University) ৰেক্টৰ আছিল। ১৯০৩ চনত ব্লকে সেই সময়ৰ ৰাছিয়াৰ নামজ্বলা কেমিষ্ট (Chemist) D. I. Mendelyev ৰ জীয়ৰী লুৱভ মেণ্ডেলয়েভৰ (Luybov Mendelyev) ৰ লগত বিবাহপাশত আৱদ্ধ হয়। প্ৰায় পাঁচ বছৰমান বয়সৰ পৰাই সাহিত্য চৰ্চা কৰা ব্লকৰ প্ৰথমখন কবিতাপুথি ১৯০৩ চনতেই প্ৰকাশিত হৈছিল।

বৰ্তমান সময়ত ব্লকক ৰাছিয়ান সাম্ৰাজ্যবাদৰ পতনৰ সময়ৰ তথা বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত এজন প্ৰণিধানযোগ্য লিখক হিচাপে জনসমাজত গণ্য কৰা হয়। ব্লকৰ দ্বাৰা ৰচিত প্ৰায় সৰহ সংখ্যক ৰচনাৰাজিতে ৰাছিয়াৰ ইতিহাস আৰু ভৱিষ্যতৰ অৱলোকন পৰিলক্ষিত হয়। মুঠৰ ওপৰত, বিষয়বস্তু আৰু ৰচনা শৈলীৰ ক্ষেত্ৰত বিভিন্ন স্তৰত পৰিৱৰ্তন পৰিস্ফুট হ'লেও ব্লকৰ কবিতা তথা সাহিত্যত

সদায়ে ভৱিষ্যৎ মুখী দৃষ্টিভংগীৰ উমান পোৱা যায়।

সমালোচকসকলে ব্লকৰ কৰ্মৰাজিক তিনিটা ভাগত বিভক্ত কৰাৰ পোষকতা কৰে। এইকেইটা হ'ল -

(১) ব্লকৰ সাহিত্য সৃষ্টিৰ প্ৰথম স্তৰত তেওঁৰ পত্নী আৰু চলভিয়েভ (Soloviev) য়ে সৃষ্টিৰ উৎস হিচাপে কাম কৰিছিল। এই সময়ছোৱাত বিশেষকৈ ১৮৯৬ চনৰ পৰা ১৯০৪ চনলৈকে ব্লকে তেওঁৰ সৃষ্টি ৰাজিত প্ৰায়ে এগৰাকী 'সুন্দৰী নাৰীক' সম্বোধন কৰি কাহিনী অথবা বিষয়বস্তু ৰূপায়ণ কৰা দেখা যায়। তেওঁৰ কবিতাসমূহত উল্লিখিত 'সুন্দৰী নাৰীগৰাকীক' স্বৰ্গীয় প্ৰেমৰ নিদৰ্শন হিচাপে উপস্থাপন কৰিছিল। 'Twilight Skies', 'Delicate Rains', 'Whispy Clouds' ইত্যাদি কবিতাসমূহত অংকন কৰা কাব্যিক চৰিত্ৰসমূহত ব্লকে প্ৰেমৰ এক নতুন জগতত বিচৰণ কৰিছিল বুলি ক'লেও নিশ্চয় ভুল কোৱা নহ'ব।

(২) ১৯০৪ চন মানৰ পৰা ব্লক এক মানসিক তথা আৱেগিক সংকটৰ সন্মুখীন হৈছিল যিয়ে তেওঁৰ সৃষ্টিৰাজিৰ গতি (Direction) সলনি কৰি পেলাইছিল। পূৰ্বতে গুণগান কৰা সুন্দৰ পৃথিৱীখনৰ পৰিৱৰ্তে কঠোৰ বাস্তৱৰ মুখামুখি হৈ ব্লক বহু পৰিমাণে হতাশগ্ৰস্ত হৈ পৰে আৰু জীৱনৰ পৰৱৰ্তী পৰ্য্যায়ত তেনে হতাশগ্ৰস্ততাৰ পৰা পৰিত্ৰাণ বিচাৰি বিভিন্ন ধৰণৰ বিপথগামী কৰ্মত লিপ্ত হয়। সেয়েহে এই সময়ছোৱাত ব্লকৰ কবিতাৰ বিষয়বস্তু আছিল আৱেগৰ দিকহীন বৰ্ণনা, সুৰাৰ ৰাগী আৰু পৰস্ত্ৰীৰ সৈতে দুস্কৰ্ম। এই কবিতাসমূহত ব্লকৰ নাৰী প্ৰীতি তথা নাৰী সম্পৰ্কে থকা ধ্যান ধাৰণাৰো এক জলজল পটপট ছবি পৰিলক্ষিত হয়।

(৩) এই সময়ছোৱাত ব্লকে নিজ প্ৰেয়সীক আধ্যাত্মিক জগতৰ বিপৰীতে বেশ্যালয়, চহৰৰ আৱৰ্জনাপূৰ্ণ পৰিৱেশ আৰু হোটেলৰ কক্ষৰ মাজত বিচৰাৰ প্ৰয়াস কৰা দেখা যায়। তেওঁৰ বিখ্যাত কবিতা Neznakoma (১৯০৭)ত চহৰৰ দাতিকাষৰীয়া এখন ৰেষ্টুৰেন্টত সুৰাৰ ৰাগীত মতলীয়া হৈ নাৰীভিত্তিক বৰ্ণনাৰ সজীৱ বৰ্ণনা ৰূপায়ণ কৰিছে। এই সমূহ বিষয়বস্তুৰ উপৰিও ব্লকৰ এই সময়ছোৱাৰ কবিতাসমূহে বিশেষভাৱে ৰাছিয়াৰ সাম্প্ৰতিক পৰিস্থিতি আৰু ঝাৰ (Tsar) নেতৃবৰ্গৰ হঠকাৰী নীতি আৰু ভয়াবহ ফলাফলসমূহৰ ওপৰতো আলোকপাত কৰিছে।

ব্লকৰ দ্বাৰা সৃষ্ট কবিতাসমূহত এক সাৰ্বজনীন আবেদন পৰিলক্ষিত হয়। তেওঁৰ প্ৰায় সকলোবোৰ কৱিতা পুথিতেই সাৰ্বজনীনতাই এক বিশেষ ভূমিকা বহন কৰিছে। চুটি জীৱন পৰিক্ৰমাত তেওঁৰ দ্বাৰা ৰচিত কবিতা পুথিসমূহ হ'ল ক্ৰমে— About the Beautiful Lady (Stikhi O Prekasnoy Dame, 1903),

Inadvertent Joy (Nechayannaya Radost, 1907), Snow Mask (Snezhnaya Maska, 1907), Faina (1906-07), Earth in Snow (Zemlya V Snegu, 1908), Night Hours (Nochnye Chasy, 1911), Poems About Russia (Stikhi O Rossii, 1915), Motherland (Rodina), Retribution (Vozmezdie) ইত্যাদি।

আলেকজেণ্ডাৰ ব্লকৰ জীৱনত দুজন পুৰোধা ৰাছিয়ান ব্যক্তিৰ প্ৰভাৱ বিশেষভাৱে উল্লেখনীয়। এই দুজন স্বনামধন্য ৰাছিয়াৰ সু-সন্তান হ'ল ক্ৰমে আলেকজেণ্ডাৰ পুস্কিন আৰু ভ্লাডিমিৰ চ'ল'য়ভ (Vladimir Soloyov)। অৱশ্যে ব্লকে তেওঁৰ কবিতাত নিজস্ব শৈলীৰে এক নতুনত্ব অনাৰ প্ৰয়াস কৰিছিল। তেওঁৰ মতে কবিতাৰ মুল বৈশিষ্ট্য হৈছে সুশ্ৰাব্যতা অথবা মধুৰতা (Musicality)। তদুপৰি চ'ল'য়েভৰ বিখ্যাত তত্ত্ব 'Eternal Feminine, Divine Wisdom' য়ে ব্লকৰ জীৱনত এক সাংঘাতিক প্ৰভাৱ পেলাইছিল। ব্লকৰ 'I Enter Darkened Temples' নামৰ কবিতাটিত উল্লেখিত তত্ত্বৰ এক সুন্দৰ প্ৰতিফলন ঘটিছে য'ত তেওঁ নাৰীসত্বা আৰু আধ্যাত্মিক ভগনৰ (Spiritual Consumption) বিষয়ে আলোকপাত কৰিছে।

কিন্তু জীৱনৰ পৰৱৰ্তী সময়ছোৱাত ব্লকে উল্লিখিত নাৰীসত্বা আৰু আধ্যাত্মিকতাৰ মাহাত্ম্যৰ ওপৰত পূৰ্বৰ দৰ্শনৰ পৰা ফালৰি কাটি আহিছিল। সময়ৰ অগ্ৰগতি আৰু বাস্তৱতাৰ সন্মুখীন হোৱাৰ লগে লগে তেওঁ নাৰী উপাসনাও অন্ত পৰে আৰু নাৰীক নতুন ৰূপত অংকন কৰিবলৈ আৰম্ভ কৰে। সেয়েহে তেওঁ পৰৱৰ্তী সময়ত নাৰীক Madona, Whove ইত্যাদি বুলি সম্বোধন কৰিছিল।

বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত ৰাছিয়াত সংঘটিত হোৱা বলছেভিক আন্দোলন (Bolshevik Revolution) এ তেওঁৰ কবিতা সৃষ্টিত সমল যোগাইছিল। কমিউনিষ্ট পাৰ্টীৰ লগত জড়িত হৈ তেওঁ নিজেও এই আন্দোলনৰ লগত প্ৰত্যক্ষভাৱে সোমাই পৰিছিল। অন্যান্য লিখকসকলৰ দৰে তেওঁ এই আন্দোলনলৈ পূৰ্ণ সমৰ্থন জনাইছিল কাৰণ এই আন্দোলনক ৰাছিয়ান সকলৰ বহুদিনীয়া এক সপোনৰ পূৰ্ণতাপ্ৰাপ্তি বুলি তেওঁ ব্যক্তিগতভাৱে উপলব্ধি কৰিছিল। ১৯১৬ চনত তেওঁ কম সময়ৰ বাবে হ'লেও সেনাবাহিনীত যোগদান কৰে আৰু ঝাৰ (Tsar) শাসনৰ যথাৰ্থতাৰ ওপৰত প্ৰশ্ন অৱতাৰণা কৰি ইয়াৰ ঘোৰ বিৰোধিতা কৰে। অৱশেষত ঝাৰ শাসন আঁতৰাই বলছেভিকসকল ১৯১৭ চনত ক্ষমতালৈ আহিবলৈ সক্ষম হয় আৰু Russian Soviet Federative Socialist Republic গঠন কৰে। যিহেতু ব্লকৰ সাহিত্য সৃষ্টি বলছেভিক আন্দোলনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত, সেয়েহে এই আন্দোলনৰ

বিভিন্ন দিশসমূহৰ বিষয়ে এক সম্যক ধাৰণা পাঠকসকলৰ বাবে নিতান্তই আৱশ্যক।

প্ৰথম বিশ্বযুদ্ধৰ আৰম্ভণিৰ সময়ছোৱাত ৰাছিয়াত দ্বিতীয় নিকোলাচ ঝাৰ (Nicholas Tsar II) শাসনৰ বিৰুদ্ধে এক বিশাল জনমত গঢ়ি উঠে। এই সময়ছোৱাত সমগ্ৰ ৰাছিয়াতে অভাৱনীয় সংকটৰ সৃষ্টি হৈছিল।

কৃষি ক্ষেত্ৰত উৎপাদন বন্ধ হোৱাৰ পৰিপেক্ষিতত সমগ্ৰ ৰাছিয়াত খাদ্য সংকটৰ উদ্ভৱ হৈছিল। খাদ্য সংকটৰ মূলতে আছিল তদানীন্তন ঝাৰ চৰকাৰৰ ভুল নীতি আৰু অদক্ষ শাসন ব্যৱস্থা। তদুপৰি ১৯১৭ চনলৈ ৰাছিয়াত মুদ্ৰাস্ফীতিৰ পৰিমান ১৯১৪ চনৰ তুলনাত প্ৰায় চাৰিগুণ উৰ্দ্ধমুখী হৈছিল। কৃষকসকলে উৰ্দ্ধমুখী দৰত বয়বস্তু ক্ৰয় কৰিবলগা হৈছিল। কিন্তু দুৰ্ভাগ্যজনকভাৱে এইসকল কৃষকে তেওঁলোকৰ উৎপাদিত দ্ৰব্যৰ উচিত মূল্য পোৱাৰ পৰা বঞ্চিত হৈছিল। সমস্ত লাভ আহৰণ কৰিছিল মধ্যভোগী শ্ৰেণীটোৱে আৰু শাসনাধিষ্ঠিত নিকোলাচ দ্বিতীয়ৰ চৰকাৰখনে এনেবোৰ বিষয় প্ৰায় সম্পূৰ্ণভাৱে অৱজ্ঞা কৰিছিল। ইয়াৰোপৰি শ্ৰমিকসকলে ফেক্টৰী সমূহত মজুৰি বৃদ্ধিৰ দাবী উত্থাপন কৰিছিল। মুঠতে যুদ্ধৰ সময়ত ৰাছিয়া আৰু ইয়াৰ বাসিন্দাসকলে সন্মুখীন হোৱা বিয়াগোম লোকচানৰ বাবে তদানীন্তন চৰকাৰখনেই সমুলঞ্চে জগৰীয়া আছিল। ফলশ্ৰুতিত শাসন ব্যৱস্থাৰ পৰিৱৰ্তনৰ বাবে ৰাছিয়াৰ বাসিন্দাসকল আন্দোলনমুখী হ'বলৈ বাধ্য হৈছিল।

এইসমূহৰ উপৰিও অন্যান্য কিছুমান কাৰণত শ্ৰমিকসকলৰ মাজত নানান অসন্তুষ্টিয়ে গা কৰি উঠিছিল। অস্বাস্থ্যকৰ পৰিৱেশ, অধিক কৰ্মসময় (প্ৰায়ে দহ ঘন্টা, কেতিয়াবা আকৌ ১২-১৩ ঘন্টা কাম কৰিবলগা হৈছিল এই সময়ছোৱাত (১৯১৪-১৯১৭)), সঘনাই সংঘটিত হোৱা দুৰ্ঘটনাসমূহ, দুখ লগা জীৱন সুৰক্ষা ব্যৱস্থা আৰু অপৰ্য্যাপ্ত মজুৰিৰ বাবে শ্ৰমিকসকল বাৰুকৈয়ে জুৰুলা হৈছিল। ইতিমধ্যে এনে শোচনীয় অৱস্থাৰ পৰা মুক্তিৰ বাবে ৰাছিয়াত বহু গন-আন্দোলন গা কৰি উঠিছিল। নতুনত্বৰ জাগৰণেৰে উদ্ভাষিত শ্ৰমিকসকলে লাহে লাহে আত্মসন্মান, নিজস্ব আশা-আকাংক্ষা আৰু আত্মবিশ্বাসৰ প্ৰতি অধিক আগ্ৰহান্বিত হোৱা দেখা গৈছিল। ক্ৰমাগত ৰাজনৈতিক সচেতনতা আৰু সামাজিক সমতাৰ নব্য ধাৰণাই তেওঁলোকক নিজ নিজ অধিকাৰৰ প্ৰতি সজাগ কৰি তুলিছিল।

বলছেভিক আন্দোলনৰ সামাজিক কাৰণ বিচাৰ কৰিলে ঝাৰৰ শাসনৰ দিনত নিম্ন প্ৰস্থিতি সম্পন্ন শ্ৰেণীসমূহৰ প্ৰতি কৰা অকল্পনীয় অন্যায় আৰু অবিচাৰৰ কথা বিশেষভাৱে ক'ব লাগিব। লগতে নিকোলাচ ঝাৰৰ শাসনকালত প্ৰথম বিশ্বযুদ্ধত ৰাছিয়াৰ বিফলতাৰ কথাও এইক্ষেত্ৰত উনুকিয়াব লাগিব। যদিও কৃষকসকলক

১৮৬১ চনত পূৰ্ব প্ৰচলিত ভৃত্য প্ৰথাৰ পৰা আইনগতভাৱে মুক্তি দিয়া হৈছিল, তথাপি এইসকল কৃষক বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধতো তেওঁলোকৰ মৰ্যাদাৰ পৰা বঞ্চিত হৈছিল। ইয়াৰ ফলস্বৰূপে সংঘটিত হোৱা কৃষক আন্দোলনসমূহে মাজে মাজে হিংসাত্মক ৰূপ ধাৰণ কৰিছিল। সেয়েহে বলছেভিক আন্দোলনৰ ক্ষেত্ৰত কৃষকসকলৰ অৱদানো কোনো গুণে উলাই কৰিব নোৱাৰি। মুঠৰ ওপৰত, বলছেভিক আন্দোলন সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত গা কৰি উঠা অসন্তুষ্টিৰ এক মুক্ত প্ৰকাশ বুলি অভিহিত কৰিব পাৰি।

ব্লকে তেওঁৰ বিখ্যাত কবিতা Dvenadtsat (The Twelve, 1918)ত বলছেভিক আন্দোলনকে ধৰি দুয়োখন বিশ্বযুদ্ধতে ৰাছিয়াৰ সফলতা আৰু বিফলতাৰ প্ৰসংগ আলোকপাত কৰাৰ প্ৰয়াস কৰিছে। ব্লকে তেওঁৰ সৃষ্টিৰাজিৰ জৰিয়তে প্ৰচলিত ব্যৱস্থাক দোষমুক্ত কৰি এক সাম্যবাদী সমাজ প্ৰতিষ্ঠা কৰাৰ পোষকতা কৰিছে। এইখিনিতে উল্লেখযোগ্য যে বলছেভিক আন্দোলনৰ পৰিসমাপ্তিৰ পৰৱৰ্তী ঘটনাপঞ্জীত ব্লক খুবেই অসন্তুষ্ট হৈছিল। পূৰ্বতে কল্পনা কৰা সাম্যবাদী ৰাছিয়াৰ ছবিখন আন্দোলনৰ পৰৱৰ্তী পৰ্যায়তো প্ৰতিফলিত নোহোৱাত তেওঁ তীব্ৰ হতাশাত ভুগিছিল। সেয়েহে মৃত্যুৰ আগৰ কালছোৱাত তেওঁ কবিতা সৃষ্টি প্ৰায় সম্পূৰ্ণৰূপে পৰিত্যাগ কৰিছিল।

ব্লকৰ "সময়ৰ সন্তানবোৰ" (He, Who was born) নামৰ কবিতাটি বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ ঝাৰ শাসনাধিষ্ঠ ৰাছিয়াৰ সমাজ তথা শাসন ব্যৱস্থাৰ এক সজীৱ দস্তাবেজ। ইতিমধ্যে উল্লেখ কৰা হৈছে যে ব্লক নিজে বলছেভিক আন্দোলনৰ সৈতে ঘনিষ্ঠ ভাৱে জড়িত আছিল। বলছেভিক আন্দোলন অন্ত পৰাৰ প্ৰাকমুহূৰ্তত ব্লকে সম্ভৱত ভৱিষ্যতৰ ৰাছিয়া সম্পৰ্কে ধাৰণা কৰিব পাৰিছিল আৰু সেয়েহে তেওঁ "সময়ৰ সন্তান"বোৰকে ধৰি বিভিন্ন কবিতাসমূহত ৰাছিয়া সম্পৰ্কে বিশদ বিৱৰণ দাঙি ধৰাৰ যৎপৰোনাস্তি চেষ্টা কৰিছে।

"সময়ৰ সন্তানবোৰ" নামৰ কবিতাটি ব্লকৰ সুন্দৰ সাহিত্য সৃষ্টিৰ এক উৎকৃষ্ট নিদৰ্শন য'ত তেওঁ খুউব চমুকৈ স্পষ্টভাষাৰে বিষয়বস্তু উপস্থাপন কৰিছে। এই সৰল তথা প্ৰাঞ্জলতাপূৰ্ণ কবিতাটিত প্ৰথম বিশ্বযুদ্ধৰ আগৰ ৰাছিয়াৰ ভয়াবহ দিনবোৰ আৰু নেতৃত্ব পৰিৱৰ্তনৰ বাবে বলছেভিক আন্দোলনৰ ৰূপত কিদৰে অসন্তুষ্টিসমূহে গা কৰি উঠিছিল তাৰ স্পষ্ট বৰ্ণনা পোৱা যায়। তেওঁ এই কবিতাটিত প্ৰতিজন ৰাছিয়ানকে ঝাৰ শাসনৰ সময়ৰ ঘটনাপূৰ্ণ অতীতৰ বিষয়ে সোঁৱৰাই দিয়াৰ লগতে সমসাময়িক ৰাছিয়াৰ এক সম্যক ছবি দাঙি ধৰাৰ প্ৰয়াস কৰিছে। তেওঁৰ মতে,

সুবিধাভোগী শ্ৰেণীটো হৈছে ৰাছিয়াৰ উৎপাদনহীন যুগটোৰ একো একোজন প্ৰতিনিধি। এই সুবিধাভোগী শ্ৰেণীটোৰ হৃদয় ৰাছিয়ানসকলৰ হৃদয় বিদাৰক চিঞৰ অথবা ক্ৰন্দনে কিন্তু কোনোদিন টলাব পৰা নাছিল। সেয়েহে সেই সময়ছোৱাত হিংসা, আন্দোলন ইত্যাদি ৰাছিয়াৰ দৈনন্দিন ঘটনাপঞ্জীত পৰিণত হৈছিল। এই সুবিধাভোগী শ্ৰেণীটোক ৰাছিয়াৰ ভূমিখণ্ডই সু-সন্তান জন্ম দিব নোৱাৰা সময়ৰ ফচল বুলি কবিয়ে নেতিবাচকভাৱে বৰ্ণনা কৰিছে। তেওঁলোক হৃদয়হীন হোৱাৰ পৰিপেক্ষিতত জনসাধাৰণৰ আশা আকাংক্ষাক উলাই কৰি সম্পূৰ্ণ নিৰ্বিকাৰ চিত্তে কাম কৰিছিল। এইসকলৰ বিপৰীতে সাধাৰণ জনতাই কিন্তু ৰাছিয়াৰ ইতিহাস সদায়ে মনত ৰাখিছিল। ই ৰাছিয়াৰ সুখৰ দিনবোৰৰেই হওক কিম্বা হিংসা জৰ্জৰিত দিনবোৰৰেই হওঁক। এই সাধাৰণ লোকসকলক তেওঁ 'kids' বুলি অভিহিত কৰিছে। ইয়াৰ মূলতেই হ'ল শিশু মনৰ দৰে নিৰ্মল আৰু সৰল এইসকল ৰাছিয়ানৰ ছবি পাঠকৰ মাজত দাঙি ধৰা। তেওঁ সেয়েহে লিখিছে—

"অনুৰ্বৰা সময়ৰ সন্তানবোৰে
উলটি নাচায় আত্ম-পদ চিহ্নৰ বলুকাৰাশি।
আমি যন্ত্ৰস্থ ৰাছিয়াৰ পেটৰ পোৱালীবোৰে
স্মৰণ কৰো প্ৰতিটো দিন প্ৰতিটো ৰাতি।"

(সময়ৰ সন্তানবোৰ)

কবিতাটিৰ দ্বিতীয় স্তৱকটিয়ে ঝাৰ শাসনৰ ভুল নীতিসমূহ আৰু ইয়াৰ ফলশ্ৰুতিত সৃষ্টি হোৱা ভয়ানক দিনবোৰৰ এখনি ছবি সজীৱ ৰূপত পাঠকৰ মাজত দাঙি ধৰিছে। সেই ভয়ংকৰ সময়ৰ অনলত সকলো ছাই হৈ গৈছিল আৰু ৰাছিয়াত সম্পূৰ্ণ অৰাজকতাই বিৰাজ কৰিছিল। ঝাৰ শাসন কালৰ ভুল নীতিৰ বাবেই বিশ্বদৰবাৰত ৰাছিয়াৰ পূৰ্বৰ সন্মান আৰু প্ৰভুত্ব অভূতপূৰ্ব পৰিমাণে লাঘৱ হৈছিল। কবি নিজে এনেবোৰ অনাকাংক্ষিত দিনৰ সাক্ষী হৈ ৰোৱা স্বত্বেও তেওঁ এক আশা ব্যঞ্জক ভৱিষ্যতৰ সপোন মনতে পুহি ৰাখিছে। তেওঁ মাথো এইটো প্ৰকাশ কৰিব বিচাৰিছে যে এনেবোৰ বেয়া দিনৰ সময়ত ৰাছিয়ানসকলে একগোট হৈ কিদৰে এক আশাবাদৰ সূচনা কৰিব লাগে তাক তেওঁলোকে জানে বা আগতে তেনে কৰাৰ দৃষ্টান্ত বিদ্যমান। সেয়েহে নিশ্চয় ৰাছিয়াৰ প্ৰকৃত সন্তানবোৰে এনে দুশাসনৰ বিৰোধিতা কৰাৰ লগতে ৰাষ্ট্ৰখনক উদ্ধাৰ কৰাৰ কামত একাগ্ৰতা আৰু সহৃদয়তাৰে ব্ৰতী হৈছে। এনে বিপদৰ সন্ধিক্ষণত তেওঁলোকে নিজৰ মূল্যৱান জীৱনকো তুচ্ছ কৰি দেশৰ হৈ কাম কৰাৰ নিদৰ্শন যথেষ্ট আছে। এনে এক আশাবাদৰ উমান পাই

কবিয়ে সেয়ে লিখিছে-

"প্ৰতিখন মুখত ত্ৰাসৰ বলিৰেখা এৰি যোৱা
সেই যুদ্ধ আৰু স্বাধীনতাৰ দেদীপ্যমান বহ্নিশিখা"

(সময়ৰ সন্তানবোৰ)

পৰৱৰ্তী স্তবককেইটিত ব্লকে উল্লেখ কৰিছে কিদৰে ৰাছিয়াৰ জনতা সেই অত্যাচাৰী দিনবোৰত নিৰ্বাক নিস্তব্ধ হৈ পৰাৰ লগতে অসহায় অনুভৱ কৰিছিল। তেওঁলোকৰ মুখৰ মাতো বলপূৰ্বকভাৱে অস্ত্ৰেৰে এনেদৰে বন্ধ কৰা হৈছিল যে তেওঁলোক যেন কোনোকালে কেতিয়াও মানৱসৃষ্ট সংকটৰ পৰা ওলাই আহিব নোৱাৰে। এসময়ৰ উৎপাদনক্ষম ৰাছিয়াৰ ভূমিখণ্ডক এইসকল দুষ্ট শাসকে মৰুভূমিলৈ পৰ্যবসিত কৰিছিল। এনে পৰিস্থিতিৰ উদ্ৰেক ঘটাত কবিয়ে মনোকষ্ট পাইছে আৰু কবিতাটিত মনৰ বেদনাক সুন্দৰভাৱে প্ৰতিফলিত কৰাৰ প্ৰয়াস কৰিছে—

"আমাৰ অন্তৰজুৰি আচ্ছন্ন হৈ ৰয়
অদৃষ্টৰ কৃপাধন্য শয়নৰত মৰুভূ।"

(সময়ৰ সন্তানবোৰ)

তেওঁ লগতে ইয়াকো প্ৰতিপন্ন কৰিব বিচাৰিছে যে তেনে অত্যাচাৰী আৰু চৰম অমনোযোগিতাই হৈছে পৰিবৰ্তনকামী ৰাছিয়ান আন্দোলনৰ মূল কাৰণ।

কবিতাটিৰ শেষৰ স্তৱকটিত কবিয়ে ৰাছিয়াৰ বিশাল জনগণৰ জীৱিত আৰু দায়িত্বশীলসকলক আহ্বান জনাইছে যাতে তেওঁলোকে নিয়ন্তা প্ৰদত্ত এই সুন্দৰ, মহৎ, অতুলনীয়, উৎপাদনক্ষম মানৱ উপযোগী পৃথিৱী তথা সমাজখনক ইমানবোৰ অনাকাংক্ষিত ঘটনাপঞ্জীৰ পিছতো সুন্দৰ কৰি ৰখাৰ প্ৰচেষ্টাত ব্ৰতী হ'ব পাৰে। কবিয়ে দায়িত্বশীল ৰাছিয়ানসকলৰ মাজৰ নতুন চেতনাৰ সৃষ্টি কৰি এই বতৰত বিলাই দিব খুজিছে যে ৰাছিয়াক মানৱ উপযোগী আৰু আদৰ্শ ৰাষ্ট্ৰ হিচাপে গঢ় দিয়াৰ সময় সমাগত আৰু এই কাৰ্য জাতীয় চেতনাবোধেৰে উদ্বুদ্ধ ৰাছিয়ানসকলৰ দ্বাৰাই সম্ভৱ হ'ব লাগিব। সেয়ে তেওঁ লিখিছে ঃ

"আমাৰ মৃত্যু শয্যাৰ ওপৰেদি
ক্ৰন্দনৰত ঢোৰা কাউৰীবোৰক উৰিবলৈ দিয়া
অন্ততঃ যিসকলে যুঁজি আছে, তেওঁলোকৰ বাবে
হে' হৰি, তোমাৰ সৃষ্টিৰ মহানতা প্ৰত্যক্ষ কৰা।"

"সময়ৰ সন্তানবোৰ" নামৰ কবিতাটি চুটি আৰু সুখপাঠ্য। সুন্দৰ-সৰল শব্দৰ

ব্যৱহাৰৰ সমাহাৰেৰে কবিতাটিত ব্লকে সমগ্ৰ ঘটনাবাজি পাঠকৰ মাজত দাঙি ধৰাৰ চেষ্টা কৰিছে। কবিতাটিৰ প্ৰতিটো স্তৱক চাৰি শাৰীযুক্ত আৰু আৰম্ভণিৰ পৰা শেষলৈকে ব্লকে ইটো স্তৱকৰ লগত সিটোৰ সংপৃক্ততা সুন্দৰভাৱে ৰক্ষা কৰিছে। তদুপৰি ব্লকে ৰাছিয়াৰ ছবিখন অবিকল ভাৱে দাঙি ধৰাৰ এই প্ৰয়াসত স্তৱকসমূহক ছন্দোৱদ্ধ ৰূপত সজাই তুলিছে। সেইবিলাক নেতিবাচক শব্দ যেনে যন্ত্ৰস্থ (Stagnant), ত্ৰাসৰ বলিৰেখা (Bloody Toxim), মৰুভূ ইত্যাদিয়ে ৰাছিয়াৰ সাম্প্ৰতিক পৰিস্থিতি ফুটাই তোলাত যথেষ্ট অৰিহণা যোগাইছে।

অৱশেষত, এই কথা কোৱা সমীচীন হ'ব যে ব্লক ৰাছিয়াৰ ধৰিত্ৰীৰ এক সুযোগ্য সন্তান যি নিজস্ব অমৰ সৃষ্টিৰ যোগেদি দেশপ্ৰেম, ৰাছিয়াৰ ভয়াবহ দিনবোৰ, মনৰ বেদনা আৰু নিজ মাতৃভূমিৰ প্ৰতি থকা দায়িত্ববোধ সুন্দৰ সজীৱ ৰূপত পাঠকৰ আগত দাঙি ধৰিবলৈ সক্ষম হৈছে। তেওঁৰ জীৱনকালত সদায়ে ৰাছিয়াত সাম্যবাদ আৰু একতাৰ অতীৱ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল আৰু তেওঁৰ কবিতাসমূহ তাৰেই এক উৎকৃষ্ট নিদৰ্শন।

## প্ৰসংগ পুথি ঃ


Hayes, C.J.H., : **Contemporary Europe Since 1870**, Delhi : Surjeet Publications, 2002.

হাজৰিকা, কৰবী আৰু বৰঠাকুৰ, সত্যকাম : **সীমাৰ পৰিধি ভাঙি**, ডিব্ৰুগড় ঃ ডিব্ৰুগড় ইউনিভাৰচিটি প্ৰেচ, ২০১০।

শৰ্মা, বসন্ত কুমাৰ : **বিশ্ব সাহিত্যৰ পৰিচয়**, ডিব্ৰুগড় ঃ কৌস্তভ প্ৰকাশন, ২০১৪।